দেওমৰনৈ সাৰ্বজনীন শাৰদীয় দুৰ্গোৎসৱ উদ্‌যাপন সমিতিৰ মুখপত্ৰ

# কাত্যায়নী



শ্ৰীদিব্যজ্যোতি শৰ্মা
সম্পাদক

# কাত্যায়নীৰ পাতে পাতে ..........

## চিন্তাশিল্পত-


| | | |
|---|---|---|
| নৱৰাত্ৰ- | ড° পৰিমল দত্ত | ৯ |
| যোগ, অষ্টাঙ্গযোগ ঃ য়ম আৰু নিয়ম- | কমিনাথ ডেকা | ১৪ |
| কুকুৰ আৰু সন্ন্যাসী- | ধনেশ্বৰ শৰ্মা | ১৯ |
| শক্তি পূজাৰ ভিন্ন ৰূপঃ কুমাৰী পূজা- | যতীন্দ্ৰ নাৰায়ণ ভট্টাচাৰ্য্য | ২২ |
| মহিষাসুৰৰ জন্ম আৰু মা দুৰ্গাৰ আৱিৰ্ভাৱঃ এক সংক্ষিপ্ত বিৱৰণ- | মহেশ ৰাজবংশী | ২৫ |
| দেওমৰনৈ অঞ্চলৰ অতীত আৰু বৰ্তমানৰ এটি আলোচনা- | হিতেশ্বৰ দেৱশৰ্মা | ২৭ |
| মহামায়া শ্ৰীশ্ৰীদুৰ্গাপূজাত মহাস্নানৰ প্ৰাসঙ্গিকতা- | সৰ্বানন্দ শৰ্মা | ৩১ |
| কাত্যায়নী- | হৰেন্দ্ৰ নাথ শৰ্মা | ৩৫ |
| খং নামে চণ্ডাল- | কিৰণ দেৱী | ৩৮ |
| মন্দিৰ-নামঘৰৰ কথা- | আনন্দিৰাম ডেকা | ৪১ |
| সহমৰ্মিতা ঃ এক অনুভৱ- | ৰীণা দেৱী | ৪৩ |
| বৈদিক পূজা আৰু কুমাৰী পূজাৰ প্ৰয়োজনীয়তা- | হিতেশ শৰ্মা | ৪৫ |
| দীপস্তুতি প্ৰাৰ্থনা- | বাসুদেৱ শৰ্মা | ৪৮ |
| নৱ পত্ৰিকাৰ চমু বিৱৰণ- | কুশেশ্বৰ শৰ্মা | ৪৯ |
| যি কাম ঈশ্বৰে নকৰে- | নবেন বৰুৱা | ৫০ |
| আদ্যাশক্তি | অনিতা দেৱী | ৫১ |
| সৌভাগ্য নিৰ্ণয়ত জ্যোতিষৰ প্ৰভাৱ- | কীৰ্ত্তিৰঞ্জন শৰ্মা | ৫৩ |
| শিৱলিঙ্গ মাহাত্ম্য- | তুলু দেৱী | ৫৭ |
| ৰামেশ্বৰম শিৱলিংগৰ উৎপত্তিৰ কথা- | সেউতী দেৱী | ৫৯ |
| ভাৰতবৰ্ষৰ শীৰ্ষ দহটা প্ৰধান মন্দিৰ- | কুশল ৰাজবংশী | ৬১ |
| লোকগীতত শিৱ দেৱতাৰ স্থান- | বিনয় ভূষণ শৰ্মা | ৬৪ |


## কথাশিল্পত-


| | | |
|---|---|---|
| ভোক- | দীনেশ শৰ্মা | ৬৭ |
| হৰৰ ধনু দান- | হৰেশ্বৰ শৰ্মা | ৬৮ |
| অচিন আলহী- | মানিক ডেকা | ৭০ |
| উৎকণ্ঠা- | জুপিতৰা শৰ্মা | ৭৪ |
| মিতব্যয়িতা | গীতুমণি কলিতা | ৭৩ |


## ৰস-ৰচনা -


| | | |
|---|---|---|
| শ্ৰীশ্ৰীদেৱী দুৰ্গাৰ সৈতে সাক্ষাৎকাৰ- | তপন বৰুৱা | ৭৬ |


## শব্দ শিল্পত-


আছেনে কোনোবা মানুহ... /গজেন্দ্ৰ বৰুৱা, হেপাহ পলুৱাই উপভোগ কৰিম / লক্ষীকান্ত বৰুৱা, সত্যৰ সন্ধানত./মীনাৰাম বৰুৱা, শিৱৰাত্ৰি.../ইনুমা শৰ্মা গোস্বামী, নষ্টালজিয়া../মুন শৰ্মা, তুমি...কুলেন কলিতা, তোমাৰ নামত ফটোৱা জাৰি... / ৰাজীৱ ৰাজখোৱা,, আশাৰ যাত্ৰা...পাৰ্থ কুমাৰ, সম্ভাৱনা./হিৰণময়ী মেধি, দৃষ্টি./মানসজ্যোতি শৰ্মা, লাজৰ উপখ্যান./জয়ন্ত ৰাজবংশী, শৰৎ/ছবিলি শৰ্মা, জীৱন প্ৰেম ইত্যাদি/জয়ন্ত জান শইকীয়া। আহা আমি প্ৰেমত পৰো /নিখিল ৰঞ্জন বৰুৱা (৪২), বাট /ৰঞ্জন বৰ্মন (৪৪), মোৰ সুখ আপোনাৰ অসুখ.../অজিত বৰুৱা (৫৮), মই ক্ৰমশঃ নিঃশেষ হৈ যাব ধৰিছো নেকি/ জিতেন ৰাজবংশী (৬৩)। ৭৮-৮৪

| | |
|---|---|
| ২০১৩ বৰ্ষৰ সম্পাদকীয় প্ৰতিবেদন - | ৮৫ |
| ২০১৩ বৰ্ষৰ সম্পাদকীয় প্ৰতিবেদন - | ৮৫ |
| ২০১৪ বৰ্ষৰ দেওমৰনৈ সাৰ্বজনীন শাৰদীয় শ্ৰীশ্ৰীদুৰ্গাপূজাৰ সম্মানীয় দাতাসকলৰ নাম তালিকাঃ | ৮৮ |
| ২০১৩ বৰ্ষৰ মহান দাতাৰ নামৰ তালিকা- | ৮৯-৯৪ |
| আলোক চিত্ৰ - | ৯৫ |




চিন্তাশিল্প ঃ

# নৱৰাত্ৰ


**ড° পৰিমল কুমাৰ দত্ত**

মুৰব্বী অধ্যাপক,

সংস্কৃত বিভাগ, খাৰুপেটীয়া মহাবিদ্যালয়


**ভূমিকা ঃ**

মানৱ সভ্যতাৰ ঊষাৰ্কালত ভাৰতীয় ঋষিসকলৰ মানসনেত্ৰত উদ্ভাসিত হৈছিল আদ্যাশক্তি মহামায়া মহাশক্তিৰ প্ৰকাশ। ইয়াৰেই আভাস পোৱা যায় অম্ভৃণনামক মহৰ্ষিৰ বাক্‌নাম্নী ব্ৰহ্মবিদূষীৰ আত্মপৰিচয়ত-

অহং ৰুদ্ৰেৰ্ভি ৰ্ৱসুভিশ্চৰাম্যহ
মাদিত্যৈৰুত ৰ্ৱিশ্বদেৱৈঃ।
অহং মিত্ৰাৱৰুণোভা ৰ্ৱিভৰ্ম্যহ
মিন্দ্ৰাগ্নী অহমশ্বিনোভা।।

মই ৰুদ্ৰ বসু, আদিত্য আৰু বিশ্বদেৱৰ ৰূপত বিচৰণ কৰোঁ। মই মিত্ৰ, বৰুণ, ইন্দ্ৰ, অগ্নি আৰু অশ্বিনী কুমাৰদ্বয়ক ধাৰণ কৰোঁ।

**শক্তিবাদ আৰু দেৱী পূজা ঃ** শক্তিবাদ তন্ত্ৰবিজ্ঞানৰ এক বিৰাট অৱদান। মহাশক্তিৰ সৈতে সম্পৰ্ক স্থাপনৰ সৰ্বশ্ৰেষ্ঠ উপায় হৈছে 'পূজা', 'পূজা'ও তন্ত্ৰশাস্ত্ৰৰ অৱদান। সেই মহাশক্তিৰ উদ্বোধনৰ বাবেই দেৱী পূজা, সেই মহাশক্তিয়েই বিভিন্ন ৰূপত, বিভিন্ন মূৰ্তিত সাধকসকলক ধৰা দিয়ে। সেই মহাশক্তিৰ বিভিন্ন ৰূপৰ মাজত এটা ৰূপ হৈছে দেৱী দুৰ্গা।

**দেৱী দুৰ্গাৰ বিভিন্ন ৰূপত পূজা ঃ** এই দেৱী দুৰ্গাই পশ্চিম ভাৰতত আৰু নেপালত 'নৱৰাত্ৰ', বা 'নৱ পত্ৰিকা', কাশ্মীৰত 'অম্বা', গুৰ্জৰত 'হিঙ্গলা' বা 'ৰুদ্ৰাণী', কান্যকুব্জত 'কল্যাণী', দাক্ষিণাত্যত 'অম্বিকা' বা 'অম্বা' আৰু মিথিলাত 'উমা' নামেৰে জনাজাত হৈ ভক্তসকলৰ পূজা গ্ৰহণ কৰে।

**'নৱৰাত্ৰ' কি ঃ** 'নৱ' শব্দৰ অৰ্থ হৈছে 'ন' (৯), 'ৰাত্ৰ' শব্দৰ অৰ্থ হৈছে 'ৰাতি', বাসন্তী দুৰ্গা পূজা আৰু শাৰদীয়া দুৰ্গাপূজাৰ কালছোৱাত শুক্লা প্ৰতিপদৰ পৰা নৱমীপৰ্যন্ত ন দিন ব্যাপি উদ্‌যাপন কৰা দুৰ্গাব্ৰতকেই নৱৰাত্ৰ বোলে।

**নৱ ৰাত্ৰৰ ইতিহাস ঃ** উত্তৰ ভাৰতত নৱৰাত্ৰ উৎসৱৰ উৎস হৈছে দেৱীৰ বহু প্ৰচলিত মহিষাসুৰ বধৰ কাহিনী। পূব ভাৰতত নৱৰাত্ৰ উৎসৱৰ উৎপত্তি হৈছে সতীৰ উমাৰূপে পুনৰ্জন্ম লাভ আৰু উমাৰ সপৰিবাৰে পিতৃগৃহত আগমনৰ ওপৰত ভিত্তি কৰি।

ভাৰতৰ আন আন প্ৰদেশত দুৰ্গাপূজাৰ শেষত দুৰ্গাৰ আশীৰ্বাদত বলীয়ান শ্ৰীৰাম চন্দ্ৰৰ ৰাৱণ বধৰ কাহিনীৰ আধাৰত নৱৰাত্ৰ উৎসৱৰ সূচনা হৈছে।

এই তিনিটা উৎসৱ মূল বিন্দুই হৈছে দেৱী দুৰ্গাৰ আৰাধনা। গতিকে আচলতে দুৰ্গোৎসৱেই হৈছে 'নৱৰাত্ৰ' উৎসৱ।

**'দুৰ্গা' শব্দৰ অৰ্থ ঃ**

(ক) 'দুৰ্গা' শব্দৰ ব্যুৎপত্তি এনেদৰে- দ্ + উ + ৰ্ + গ্ + আ। 'দ' দৈত্যনাশক, 'উ' কাৰ বিঘ্ননাশক, 'ৰেফ্' ৰোগনাশক, 'গ' পাপনাশক, 'আ' কাৰ ভয় আৰু শত্ৰুনাশক। দৈত্য, বিঘ্ন, ৰোগ, পাপ, ভয় আৰু শত্ৰুৰ পৰা যি গৰাকীয়ে ৰক্ষা কৰে তেওঁৰেই হৈছে 'দুৰ্গা'।

(খ) 'দুৰ্গ' শব্দটো দৈত্যবাচক। 'আ' কাৰ নাশবাচক। যি গৰাকীয়ে 'দুৰ্গ' নামক অসুৰক বিনাশ কৰে তেওঁৰেই দুৰ্গা নামেৰে জনাজাত।

(গ) স্কন্দপুৰাণ মতে- ৰুদ্ৰদৈত্যৰ পুত্ৰ দুৰ্গাসুৰক বধ কৰাৰ ফলত দেৱী বিশ্বলোকত 'দুৰ্গা' নামেৰে পৰিচিত হৈছে।

(ঘ) শ্ৰীশ্ৰীচণ্ডীত দেৱীয়ে কৈছে-

তত্ৰৈৱ চ ৱধিষ্যামি দুৰ্গমাখ্যং মহাসুৰম।
দুৰ্গা দেৱীতি ৱিদ্যাতং তন্মে নাম ভৱিষ্যতি।।

দুৰ্গম নামৰ মহাসুৰক বিনাশ কৰি মই দুৰ্গা নামেৰে প্ৰসিদ্ধা হ'ম।

**দুৰ্গাপূজাৰ পৌৰাণিক আৰু ঐতিহাসিক উৎস ঃ**

(ক) ৰজা সুৰথ আৰু সমাধি বৈশ্যই গুৰু মেধস্ মুনিৰ উপদেশ অনুসৰি মৃণ্ময়ী প্ৰতিমা নিৰ্মাণ কৰি স্বগাত্ৰ-ৰক্ত নিবেদন কৰি তিনি বৎসৰকাল ধৰি দেৱী দুৰ্গাৰ আৰাধনা কৰিছিল।

নিৰাহাৰৌ যতাহাৰৌ তন্মনস্কৌ সমাহিতৌ।
দদতুস্তৌ বলিঞ্চেৱ নিজগাত্ৰাসৃগুক্ষিতম্।।

প্ৰসন্না দেৱীয়ে ৰজা সুৰথ আৰু সমাধি বৈশ্যাক যথাক্ৰমে ভুক্তি আৰু মুক্তি প্ৰদান কৰিছিল।

(খ) শ্ৰীৰাম চন্দ্ৰই গীতা উদ্ধাৰৰ বাবে ৰাৱণ বধৰ সংকল্প লৈ শৰৎ কালত দক্ষিণায়নত এই দুৰ্গাপূজা কৰিছিল। দক্ষিণায়নত পূজা কৰাৰ ফলত এই পূজাক অকালবোধন দুৰ্গাপূজা বুলি কোৱা হয়।

(গ) মহাভাৰতৰ কুৰুক্ষেত্ৰ যুদ্ধৰ কালছোৱাত ভগৱান শ্ৰীকৃষ্ণই যুদ্ধজয়ৰ বাবে অৰ্জুনক দুৰ্গা দেৱীৰ স্তৱ কৰিবলৈ কৈছিল-

পৰাজয়ায় শত্ৰুণাং দুৰ্গাস্তোত্ৰমুদীৰয়।।

শত্ৰুসকলৰ পৰাজয়ৰ বাবে দুৰ্গা দেৱীৰ স্তুতি কৰা। ৰথৰ পৰা অৱতৰণ কৰি অৰ্জুনে দুৰ্গা দেৱীৰ স্তুতি কৰিছিল-

নমস্তে সিদ্ধসেনানি! আৰ্য্যে! মন্দৰৱাসিনী!
কুমাৰি! কালি! কাপালি! কপিলে! কৃষ্ণপিঙ্গলে!

সিদ্ধসেনানি! হে আৰ্য্যে! মন্দৰবাগিনি কুমাৰি! কালি।

কপালি! কপিলে! কৃষণপিঙ্গলে! আপোনাক প্ৰণাম জনাওঁ।

(ঘ) ঐতিহাসিকসকলৰ মতে সম্ৰাট আকবৰৰ ৰাজত্বকালত তাহেৰপুৰৰ ৰজা কংসনাৰায়ণ বৰ্তমান কালত প্ৰচলিত প্ৰতিমাৰে দুৰ্গাপূজাৰ প্ৰৱৰ্তক।

**দেৱী দুৰ্গাৰ ন টা (৯) ৰূপ আৰু নৱৰাত্ৰৰ কালছোৱাত সেই ন টা ৰূপৰ আৰাধনা ঃ**

দেৱী দুৰ্গাৰ ন টা ৰূপৰ পূজাক আধাৰ কৰি নৱৰাত্ৰ উৎসৱ পালিত হয়। স্বয়ং ব্ৰহ্মাই দেৱী দুৰ্গাৰ ন টা নাম দিছিল। ইয়াৰ বাবেই এই ন টা ৰূপৰ নৱদুৰ্গা নামেৰে পৰিচিত হৈছে। শ্ৰীশ্ৰীচণ্ডী বা সপ্তশতীত উল্লেখ আছে-

প্ৰথমং শৈলপুত্ৰীতি দ্বিতীয়ং ব্ৰহ্মচাৰিণী
তৃতীয়ং চন্দ্ৰঘণ্টেতি কষ্মাণ্ডেতি চতুৰ্থকম্।।
পঞ্চমং স্কন্দমাতেতি ষষ্ঠং কাত্যায়নী তথা।
সপ্তমং কালৰাত্ৰীতি মহাগৌৰীতি চাষ্টমম্।
নৱমং সিদ্ধিদাত্ৰী চ নৱদুৰ্গাঃ প্ৰকীৰ্ত্তিতাঃ।।

**নৱ দুৰ্গাৰ প্ৰথম ৰূপ ঃ**

**শৈলপুত্ৰী ঃ** 'শৈল' শব্দৰ সাধাৰণ অৰ্থ হৈছে 'পৰ্ৱত'। ইয়াত 'শৈল' শব্দৰ অৰ্থ হৈছে হিমালয় পৰ্ৱত। সতীৰ দেহ ত্যাগৰ পিছত সতীয়ে আকৌ শৈলপুত্ৰীৰূপে হিমালয়ৰ ঘৰত আৱিৰ্ভূতা হৈছিল। অসুৰ কূলৰ ধ্বংসৰ বাবে যোগ্য সেনাপতি কাৰ্ত্তিকেয়ৰ জন্মৰ বাবেই দেৱীয়ে শৈলপুত্ৰীৰ ৰূপত এই পৃথিৱীত অৱতৰণ কৰিছিল। নৱৰাত্ৰৰ প্ৰথম দিনাই শৈলপুত্ৰীৰ আৰাধনা কৰা হয়।

**নৱদুৰ্গাৰ দ্বিতীয় ৰূপ ঃ**

**ব্ৰহ্মচাৰিণী ঃ** শৈলপুত্ৰীৰ আন এটা নাম হৈছে হৈমৱতী। তেওঁ ব্ৰহ্মচাৰিণী। দেৱতাসকলৰ অহংকাৰ চূৰ্ণ-বিচূৰ্ণ কৰি তেওঁ দেৱৰাজ ইন্দ্ৰক ব্ৰহ্মজ্ঞান দান কৰিছিল। নৱৰাত্ৰ ব্ৰতৰ দ্বিতীয় দিনতে ব্ৰহ্মচাৰিণীৰ আৰাধনা কৰা হয়।

**নৱ দুৰ্গাৰ তৃতীয় ৰূপ ঃ**

**চন্দ্ৰঘণ্টা ঃ** মহিষাসুৰ বধৰ বাবে আৱিৰ্ভূতা মহালক্ষ্মীস্বৰূপিণী দেৱী দুৰ্গাৰ হাতত দেৱৰাজ ইন্দ্ৰই তেওঁৰ বাহন ঐৰাৱতৰ ঘণ্টাটো দিছিল। এই ঘণ্টাৰ ধ্বনি প্ৰচণ্ড। মহাবিশ্বৰ মূলতে যি শব্দ ব্ৰহ্ম বা নাদব্ৰহ্ম আছে সেই নাদব্ৰহ্মৰ উৎপত্তি হৈছে এই মহাঘণ্টাৰ ধ্বনিৰ পৰাই। নৱৰাত্ৰৰ তৃতীয় দিনা দেৱী চন্দ্ৰঘণ্টাৰ আৰাধনা কৰা হয়।

**নৱ দুৰ্গাৰ চতুৰ্থ ৰূপ ঃ**

'উষ্মা' শব্দৰ অৰ্থ হৈছে 'তাপ'। কুৎসিত তাপৰ নাম হৈছে 'কুষ্মা'। 'অণ্ড' শব্দৰ অৰ্থ হৈছে 'উদৰ বা পেট'। যি গৰ্ভাকীয়ে সন্তানৰ মঙ্গলৰ বাবে ত্ৰিবিধ তাপ বহন কৰে, তেওঁৱেই হৈছে 'কুষ্মাণ্ডা'। পণ্ডিতসকলৰ মতে- বিশ্বসংসাৰৰ যেতিয়া অস্তিত্বই নাছিল, তেতিয়া দেৱীয়ে অণ্ড বা ব্ৰহ্মাণ্ডৰ সৃষ্টি কৰিছিল। ইয়াৰ বাবেই দেৱী কুষ্মাণ্ডা নামেৰে জনাজাত হৈছিল। নৱৰাত্ৰৰ চতুৰ্থ দিনা কুষ্মাণ্ডাৰ আৰাধনা কৰা হয়।

**নৱ দুৰ্গাৰ পঞ্চম ৰূপ ঃ**

**স্কন্দমাতা ঃ** স্কন্দ হৈছে কুমাৰ কাৰ্ত্তিকৰ আন এটা নাম। শিৱক পতিৰূপে পোৱাৰ বাবে পাৰ্ৱতীয়ে তপস্যা কৰিছিল। তপস্যাৰ সময়তে গছৰ পৰা পতিত হোৱা এটা পাতো গ্ৰহণ কৰা নাছিল। ইয়াৰ বাবেই পাৰ্বতীৰ নাম হৈছিল অৰ্পণা। শিৱ আৰু অৰ্পণাৰ মিলনৰ ফলতেই জন্ম হৈছিল কাৰ্ত্তিকৰ। সেয়েহে পাৰ্বতীক স্কন্দমাতা বুলি কোৱা হয়। নৱৰাত্ৰিৰ পঞ্চম দিনা দেৱী স্কন্দমাতাৰ আৰাধনা কৰা হয়।

**নৱ দুৰ্গাৰ ষষ্ঠ ৰূপ ঃ**

**কাত্যায়নী ঃ** মহাপীঠ বৃন্দাবনৰ অধিষ্ঠাত্ৰী দেৱী কাত্যায়নী। মহৰ্ষি কাত্যায়নৰ পূজাত সন্তুষ্ট হৈ দেৱীয়ে দশমীৰ দিনা মহিষাসুৰক বধ কৰিছিল। বৃন্দাবনৰ গোপকুঁৱৰীসকলে শ্ৰীকৃষ্ণক পতিৰূপে পোৱাৰ বাবে কাত্যায়নী দেৱীৰ ওচৰত প্ৰাৰ্থনা জনাইছিল-

কাত্যায়নী! মহামায়ে! মহাযোগিন্যধীশ্বৰি!
নন্দ গোপসুতং দেৱি! পতিং মে কুৰু তে নমঃ।।

নৱৰাত্ৰৰ ষষ্ঠ দিনত কাত্যায়নীৰ পূজা হয়।

**নৱ দুৰ্গাৰ সপ্তম ৰূপ ঃ**

**কালৰাত্ৰি ঃ** ঋগ্বেদৰ দশম মণ্ডলত যি ৰাত্ৰিসূক্ত আছে, তাত পৰব্ৰহ্মক ৰাত্ৰি হিচাপে বৰ্ণনা কৰা হৈছে। মহাপ্ৰলয়ৰ ৰাতিয়েই হৈছে মহাৰাত্ৰি। দেৱী এই ৰাত্ৰিৰূপা। মহাৰাত্ৰিতকৈ কালৰাত্ৰি গভীৰতৰা, কালৰাত্ৰিত মহাবিষ্ণু নিদ্ৰিত অৱস্থাত থাকি যোগনিদ্ৰাক ভজনা কৰে।

যোগনিদ্ৰাং যদা ৱিষ্ণুৰ্ জগতোকাৰ্ণৱীকৃতে।
আস্তীৰ্য্য শেষমভজৎ কল্পান্তে ভগৱান ৱিষ্ণুঃ।।

নৱৰাত্ৰৰ সপ্তম দিনত কালৰাত্ৰিৰ পূজা হয়।

**নৱ দুৰ্গাৰ অষ্টম ৰূপ ঃ**

**মহাগৌৰী ঃ** এদিনাখন দেৱাদিদেৱ মহাদেৱে কালৰাত্ৰি দেৱীক 'কলা ছোৱালী' বুলি মাতিছিল আৰু উপহাস কৰিছিল। অভিমানিনী দেৱীয়ে কঠোৰ তপস্যাত মগ্ন হৈছিল। তপস্যাৰ পুণ্যেৰে দেৱীয়ে স্বয়ং বগা হৈ মহাগৌৰী নামেৰে পৰিচিত হৈছিল আৰু নিজৰ কলা ৰং মহাদেৱক দিছিল। তেতিয়া দেৱাদিদেৱে নাৰায়ণ ৰূপ ধাৰণ কৰিছিল আৰু দেৱীয়ে স্বয়ং লক্ষ্মীৰূপ ধাৰণ কৰিছিল। নৱৰাত্ৰৰ অষ্টম দিনা মহাগৌৰীৰ পূজা হয়।

**নৱ দুৰ্গাৰ নৱম ৰূপ ঃ**

**সিদ্ধিদাত্ৰী ঃ** দেৱীয়ে ভক্ত আৰু সাধকসকলক সৰ্বপ্ৰকাৰ সিদ্ধি প্ৰদান কৰে। এই দেৱীৰ কৃপাৰ ফলতেই দেৱাদিদেৱ মহাদেৱে সকলো প্ৰকাৰ সিদ্ধি লাভ কৰিছিল। আনকি এই সিদ্ধিদাত্ৰী দেৱীৰ কৃপাৰে শিৱ অৰ্দ্ধনাৰীশ্বৰ হৈছিল। মহাভাৰতৰ যুদ্ধৰ সময়তে শ্ৰীকৃষ্ণই অৰ্জুনক এই সিদ্ধিদাত্ৰীৰ স্তুতি কৰিবলৈ উপদেশ দিছিল। নৱৰাত্ৰৰ নৱম দিনা সিদ্ধিদাত্ৰীৰ আৰাধনা কৰা হয়।

**নৱ দুৰ্গাৰ মন্দিৰ ঃ**

কাশীধামত নৱ দুৰ্গাৰ ন টা পৃথক মন্দিৰ আছে। নৱৰাত্ৰৰ সময়ত পতিপদৰ পৰা নৱমীলৈ শৈলপুত্ৰীৰ পৰা আৰম্ভ কৰি সিদ্ধিদাত্ৰীলৈ প্ৰতিখন মন্দিৰত নিয়ম নিষ্ঠাৰে সৈতে নৱ দুৰ্গাৰ পূজা হয়।

**নৱ দুৰ্গাৰ আন ন টা ভিন্ন ৰূপ ঃ**

দেৱী দুৰ্গাৰ ভিন্ন ন টা ৰূপ হৈছে-

প্ৰেতাসীনা চামুণ্ডা, মহিষাসনা বাৰাহী, গজাসীনা ঐন্দ্ৰী, গৰুড়াসীনা বৈষ্ণৱী, নাৰসিংহী শিৱদূতী, বৃষাসীনা মাহেশ্বৰী, শিখিবাহনা কৌমাৰী, হংসাসীনা ব্ৰাহ্মী আৰু পদ্মাসীনা লক্ষ্মী।

এই ন টা ৰূপতেও দেৱী দুৰ্গা পূজিতা হৈ থাকে।

**নৱ দুৰ্গাৰ অপৰ আৰু ন টা ভিন্ন ভিন্ন ৰূপ ঃ**

নৱ দুৰ্গাৰ আন ন টা ভিন্ন ভিন্ন ৰূপতেও নৱৰাত্ৰৰ সময়ত পূজা হয়-

কাত্যায়নী, ঈষানী, মুণ্ডমালিনী, চামুণ্ডা, ভদ্ৰকালী, ভদ্ৰা, ত্বৰিতা, বৈষ্ণৱী।

**নৱ দুৰ্গা, নৱৰাত্ৰ আৰু নৱপত্ৰিকা ঃ**

নৱৰাত্ৰত ন টা গছ বা গছৰ ডালক দেৱী দুৰ্গাৰ প্ৰতিনিধিৰূপে পূজা কৰা হয়। গছ নবিধ হ'ল-

কদলী (কল), দাড়িমী (ডালিম), ধান্য (ধান), হৰিদ্ৰা (হালধি), মানক (মানকচু), কচু (কচু), বিলব (বেল), অশোক (অশোক) আৰু জয়ন্তী (জয়ন্তী)।

কদলী দাড়িমী ধান্যং হৰিদ্ৰা মানকং কচু
ৰিলবাশকৌ জয়ন্তী চ ৰিজ্ঞেয়া নৱপত্ৰিকা

প্ৰতিডাল গছক দেৱী দুৰ্গাৰ ভিন্ন ভিন্ন ৰূ হিচাপে পূজা কৰা হয়।

| গছ/পাত | অধিষ্ঠাত্ৰী দেৱী |
|---|---|
| কদলী | ব্ৰহ্মাণী |
| দাড়িমী | ৰক্তদন্তিকা |
| ধান্য | লক্ষ্মী |
| হৰিদ্ৰা | দুৰ্গা |
| মানক | চামুণ্ডা |
| কচু | কালিকা |
| বিলব | শিৱা |
| অশোক | শোকৰহিতা |
| জয়ন্তী | কাৰ্ত্তিকী |

**নৱৰাত্ৰৰ সৈতে জৰিত আচাৰসমূহ ঃ**

নৱৰাত্ৰৰ সৈতে জৰিত আচাৰসমূহ হৈছে কল্পাৰম্ভ, বোধন, অধিবাস, পূজা, বিসৰ্জন আ অপৰাজিতা পূজা।

**নৱৰাত্ৰৰ অন্যতম বৈশিষ্ট্য ঃ**

নৱৰাত্ৰৰ অন্যতম বৈশিষ্ট্য হৈছে কুমাৰী পূজা। এই কুমাৰী পূজাৰ সময়ত দেৱীৰ ৰূপ আৰ শক্তি সম্পূৰ্ণৰূপে কুমাৰীত আৰোপ কৰি সাধকজনে তদ্‌গতচিত্ত হয়। ১ বছৰৰ পৰা ১ বছৰলৈ কুমাৰীসকলৰ নাম এনেদৰে- সন্ধ্যা (১), সৰস্বতী (২), ত্ৰিধামূৰ্তি (৩), কালিকা (৪), সুভগ (৫), উমা (৬), মালিনী (৭), কুব্জিকা (৮), কাল সংঘৰ্ষা (৯), অপৰাজিতা (১০), ৰুদ্ৰাণী (১১), ভৈৰৱী (১২), মহালক্ষ্মী (১৩), কুলনায়িক (১৪), ক্ষেত্ৰভা (১৫), চণ্ডিকা (১৬)।

**নৱৰাত্ৰৰ তাৎপৰ্য্য ঃ**

নৱৰাত্ৰৰ দাৰ্শনিক, ৰাজনৈতিক, সামাজিক অৰ্থনৈতিক আৰু সাংস্কৃতিক তাৎপৰ্য্য অপৰিসীম



আজিৰ হিন্দুসমাজ জাতি-বৰ্ণভেদে সহস্ৰ ধাৰাত বিভিন্ন, খণ্ডিত আৰু বিচ্ছিন্ন। নৱৰাত্ৰই সম অধিকাৰ, সমন্বয় আৰু ঐক্য-সংহতিৰ বাণী বহন কৰে। সমাজ কল্যাণ আৰু ৰাষ্ট্ৰীয় উন্নয়নৰ বাৰ্তা দিয়ে। কিন্তু আটাইতকৈ গুৰুত্বপূৰ্ণ তাৎপৰ্য্য হৈছে এই নৱৰাত্ৰ উৎসৱ হৈছে শক্তিৰ পূজা। এই শক্তিপূজাই আমাক সাহসী, শক্তিমান, নিৰ্ভীক আৰু ঐক্যবদ্ধ হ'বলৈ আহ্বান জনায়।

**উপ-সংহাৰ ঃ**

ভাৰত সেৱাশ্ৰম সংঘৰ প্ৰতিষ্ঠাতা শিৱাৱতাৰ যুগাচাৰ্য্য স্বামী প্ৰণৱানন্দজীৰ তেজোদ্দীপ্ত বাণীৰে এই আলোচনাৰ সামৰণি মাৰিছোঁ-

" হিন্দু! তুমি কি জাননা- তুমি শক্তিৰ পূজক, শক্তিৰ উপাসক? তোমাৰ সেই শক্তিৰ সাধনা কোথায়? শিৱেৰ হাতে ত্ৰিশূল, তাহা দেখিয়া তুমি কি চিন্তা কৰিবে? শ্ৰীকৃষ্ণেৰ হাতে সুদৰ্শন, তাহা দেখিয়া তুমি কী ভাবনা ভাবিবে? কালীৰ হাতে ৰক্তাক্ত খড়গ, দুৰ্গাৰ হাতে দশপ্ৰহৰণ, তাহা দেখিয়া তুমি কি শিক্ষা লাভ কৰিবে? এই মহাশক্তিৰ সাধনা কৰিয়া মানুষ দুৰ্বল হইতে পাৰে কি? একবাৰ ধীৰ স্থিৰ হইয়া চিন্তা কৰ।"

**কৃতজ্ঞতা আৰু ঋণস্বীকাৰ ঃ**


(১) হিন্দুশাস্ত্ৰ পৰিচয়- স্বামী অৰুণানন্দ।
(২) হিন্দুধৰ্মেৰ সাৰতত্ত্ব- ডঃ দুৰ্গাদাস বসু সৰস্বতী
(৩) মহিষাসুৰমৰ্দিনী দুৰ্গা- স্বামী প্ৰজ্ঞানানন্দ
(৪) দেৱদেৱী ও তাদেৰ বাহন- স্বামী নিৰ্মলানন্দ
(৫) পৰমাৰ্থ প্ৰসঙ্গে- গোপীনাথ কবিৰাজ
(৬) চণ্ডী চিন্তা- ডঃ মহানামব্ৰত ব্ৰহ্মচাৰী
(৭) শ্ৰীশ্ৰীচণ্ডী বা সপ্তসতী
(৮) মহাকাল সংহিতা
(৯) 'শাশ্বতী ভাৱনা' পত্ৰিকা
(১০) 'প্ৰণৱ' পত্ৰিকা
(১১) Tantra its relevance to modern times- Parimal Kumar Dutta.


লেখক খাৰুপেটীয়া মহাবিদ্যালয়ৰ সংস্কৃত বিভাগৰ মুৰব্বী অধ্যাপক আৰু তন্ত্ৰ গৱেষক। তেখেতৰ গৱেষণা গ্ৰন্থ- TANTRA ITS RELEVANCE TO MODERN TIMES আৰু STUDIES IN TARATANTRA আন্তৰ্জাতিক প্ৰচাৰ আৰু বজাৰ লাভ কৰিছে। STUDIES IN TARATANTRA গ্ৰন্থখন বিশ্বৰ বৃহত্তম পাঠাগাৰ The American Library of Congress ত স্থান পাইছে।

*With best compliments from*

**KALITA CLINICAL LABORATORY**

Near Hotel Trishna

Deomornoi :: Darrang (Assam)

Ph. No. 9508289078, 9864848832